**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-07-2026 **Time :** 1800 Hrs.

# Assamese Evening Bulletin
# Headlines

১। বিধানসভাৰ বাজেট অধিৱেশনৰ আজি চতুৰ্থ দিনা সদনত ৰাজ্যৰ শিক্ষা ব্যৱস্থাক লৈ আলোচনা। কাইলৈ বিত্ত মন্ত্ৰীৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন।

২। ৰাজ্যৰ প্ৰতিখন হাস্পতালত এনকেফেলাইটিছ্ আৰু এনকেফেলাইটিছ্ সদৃশ ৰোগত আক্ৰান্ত লোকৰ বাবে আই চি ইউ বিচনা সংৰক্ষিত কৰি ৰখা হৈছে বুলি মন্ত্ৰী অশোক সিংহলৰ প্ৰকাশ।

৩। আৰক্ষী প্ৰশাসনে সমগ্ৰ ৰাজ্যত জাল নোট আৰু এনেধৰণৰ আৰ্থিক প্ৰৱণতাৰ বিৰুদ্ধে তীব্ৰ অভিযান অব্যাহত বুলি সদনত মন্ত্ৰী পীযুষ হাজৰিকাৰ মন্তব্য।

*আৰু*

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত আজি নিশা ডেৰ বজাত ফ্ৰান্স আৰু মৰক্কো মুখামুখি।

০০০০০০০

২০১৭ চনৰ আইন অনুসৰি, ২০১৩ আৰু ২০২১ চনত প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াৰ পৰা বাদ পৰি ৰোৱা শিক্ষকসকলক এককালীন সকাহ প্ৰদানৰ উদ্দেশ্যে ৰাজ চৰকাৰে গুৰু দক্ষিণা নামৰ আঁচনি ৰূপায়ণ কৰিছে আৰু ইয়াৰ বাবে গুৰু দক্ষিণা প'ৰ্টেলো মুকলি কৰা হৈছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ষোড়শ অসম বিধানসভাৰ বাজেট অধিবেশনৰ আজি চতুৰ্থ দিনা এই কথা সদৰী কৰে। তেওঁ কয়, যে গুৰু দক্ষিণা প'ৰ্টেলৰ জৰিয়তে ১৫ হাজাৰ আবেদন লাভ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে আবেদনসমূহ পৰীক্ষা কৰি শীঘ্ৰে এই সন্দৰ্ভত সিদ্ধান্ত ল'ব। ৰাজ্য চৰকাৰে শিক্ষাৰ অধিকাৰ আইন অনুসৰণ কৰি গুৰু দক্ষিণা নামৰ আঁচনি প্ৰণয়ন কৰা হৈছে বুলি উল্লেখ কৰি ডাঃ পেগুৱে কয়, যে আইন অনুযায়ী ৩০ গৰাকী শিক্ষাৰ্থী থকা বিদ্যালয়সমূহত দুগৰাকী শিক্ষককহে প্ৰাদেশিকীকৰণ কৰিব পৰা যায়।

-বাইট(ৰণোজ পেগু)-

মহম্মদ আশ্ৰাফুল ইছলাম শ্বেখে সোধা এটা প্ৰশ্নৰ উত্তৰত শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে কয়, যে ৰাজ্যত বৰ্তমানলৈকে ৫৮খন আদৰ্শ বিদ্যালয় স্থাপন কৰা হৈছে। তেওঁ কয় যে যিসমূহ বিধানসভা সমষ্টিত এতিয়ালৈকে আদৰ্শ বিদ্যালয় স্থাপন কৰা হোৱা নাই সেই সমষ্টিসমূহৰ বিধায়কে বিদ্যালয় স্থাপনৰ প্ৰস্তাৱ দাখিল কৰিব পাৰিব।

বিধায়ক আশ্ৰাফুল ইছলাম শ্বেখে টিউটৰসকলৰ ফিক্সড্ পে' সন্দৰ্ভত সোধা আন এটা প্ৰশ্নৰ উত্তৰত শিক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদে নিৰ্ধাৰণ কৰি দিয়া যোগ্যতা পূৰণ নকৰা টিউটৰসকলক শিক্ষক হিচাপে নিয়োজিত কৰিব পৰা নাযায়। তেওঁলোক টিউটৰ হিচাপে নিয়োজিত হৈ থাকিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁলোকৰ ফিক্সড্ পে' বছৰি ৬ শতাংশ হাৰত বৃদ্ধি কৰা হ'ব। যিসকল টিউটৰে ভৱিষ্যতে প্ৰয়োজনীয় যোগ্যতা অৰ্জন কৰিব তেওঁলোকক শিক্ষক হিচাপে নিযুক্তি লাভৰ সুযোগ দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

রাজ্যৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয় হাস্পতালত এনকেফেলাইটিছ্ আৰু এনকেফেলাইটিছ্ সদৃশ ৰোগত আক্ৰান্ত লোকৰ বাবে আই চি ইউ বিচনা সংৰক্ষিত কৰি ৰখা হৈছে বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা চিকিৎসা বিভাগৰ মন্ত্ৰী অশোক সিংহলে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি কংগ্ৰেছ্ বিধায়ক জাকিৰ হুছেইন শিকদাৰে সোধা এটা প্ৰশ্নৰ উত্তৰত কয়, যে

বিধানসভাত এই কথা সদৰী কৰি কয়, যে তেওঁ অলপতে জিলা বিষয়া, চিকিৎসা মহাবিদ্যালয় অধীক্ষকসকলৰ সৈতে ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে বিষয়টো লৈ আলোচনাত মিলিত হৈছে আৰু ভালকৈ ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। তেওঁ কয়, যে এনকেফেলাইটিছ্ৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ কৰাৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে আৰু চিকিৎসালয়সমূহত এই ৰোগৰ ঔষধ তথা অক্সিজেন পৰ্য্যাপ্ত মাত্ৰাত মজুত আছে। চৰকাৰে ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন এনকেফেলাইটিছ্ ৰোগীৰ বাবে ১ লাখ টকাৰ অনুদান আগবঢ়োৱা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে ৰাজ্যত বৰ্তমানলৈকে ১৩৭ গৰাকী জাপানীজ এনকেফেলাইটিছ্ ৰোগীক সুস্থ কৰি তোলা হৈছে। মন্ত্ৰীগৰাকীয়ে এনকেফেলাইটিছ্ ৰোগৰ পৰা হাত সৰাৰ বাবে আঠুৱা ব্যৱহাৰ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

-বাইট-

0000000

কেন্দ্ৰীয় চৰকাৰৰ এটা উচ্চস্তৰীয় প্ৰতিনিধি দলে আজি লখিমপুৰ জিলাৰ বানত ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিদৰ্শন কৰি বান ক্ষতিগ্ৰস্ত ৰাইজৰ সৈতে মত-বিনিময় কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ যুটীয়া সচিব প্ৰবীণ কুমাৰ ৰায়, বিত্ত মন্ত্ৰালয়ৰ ব্যয় বিভাগৰ যুটীয়া সঞ্চালক মনোজ কুমাৰ, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও বিষয়াই ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰ্যবেক্ষণ কৰে। প্ৰতিনিধি দলটোৱে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বিভিন্ন বিভাগৰ বিষয়াবৰ্গৰ সৈতে এখন বৈঠকতো মিলিত হয়। বৈঠকৰ পাছত দলটোৱে পাঁচনৈ, আমতোলাত বানত ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিদৰ্শন কৰি বণ্যাৰ্তৰ সমস্যাৰ বুজ লয়। ক্ষয়-ক্ষতিৰ পৰ্যালোচনা কৰি বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপসমূহৰ বিষয়েও দলটোৱে আলোচনা কৰে।

0000000

ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ বিভাগে ১২ কোটি টকাৰ জি এছ্ টি ফাঁকিৰ গোচৰত আজি হৃষিকেশ কলিতা নামৰ এজন ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। গোপন সূত্ৰৰ পম খেদি অভিযানকাৰী দলে বজালীৰ এখন হোটেলত আত্মগোপন কৰি থকা অৱস্থাত ব্যৱসায়ীজনক গ্ৰেপ্তাৰ কৰে। পৰৱৰ্তী সময়ত অভিযুক্ত কলিতাক জিম্মাত বিচাৰি জি এছ্ টি বিভাগে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়াধীশ দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। আদালতে অভিযুক্ত কলিতাক পাঁচ দিনৰ বাবে জি এছ্ টি বিভাগৰ জিম্মালৈ প্ৰেৰণ কৰে। গুৱাহাটী মহানগৰীৰ গণেশগুৰিত থকা কৰ ভৱনত অভিযানকাৰী দলে দীৰ্ঘসময় ধৰি ব্যৱসায়ীজনক জেৰা চলায়। এই গোচৰ সংক্ৰান্তত এখন চাৰ্টাৰ্ড একাউণ্ট ফাৰ্ম তদন্তৰ আওতালৈ অহাৰ সম্ভাৱনা আছে।

0000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিয়া আগজাননী অনুসৰি আজি আৰু পৰৱৰ্তী ২-৩ দিনত গুৱাহাটী মহানগৰকে ধৰি ৰাজ্যৰ ঠাই বিশেষে গাজনি-ঢেৰেকনিৰে ধাৰাষাৰ বৰষুণৰ লগতে ধুমুহা অহাৰ সম্ভাৱনা আছে। বিভাগে দিয়া তথ্য অনুসৰি মহানগৰখনৰ লগতে কেইবাখনো জিলাত এই সময়ছোৱাত গাজনি-ঢেৰেকনিৰে ৬ ছেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হ'ব পাৰে। ইয়াৰ ফলত ঠায়ে ঠায়ে পানী জমা হ'ব পাৰে আৰু বানৰ বাবে যান-বাহন চলাচলত অসুবিধাৰ সৃষ্টি হ'ব পাৰে। স্পৰ্শকাতৰ এলেকাসমূহত ভূমিস্খলনৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। জিলা প্ৰশাসনসমূহে পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে সকলো ধৰণৰ জৰুৰীকালীন ব্যৱস্থা সক্ৰিয় কৰি ৰখা

হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটী মহানগৰৰ বাসিন্দাসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

০০০০০০০

বিশ্বনাথ জিলাৰ গহপুৰত খহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰিছে। খহনীয়া প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে চৰকাৰে পাকেন, বৰতামুলী অঞ্চলত নিৰ্মাণ কৰি থকা ৩৮ কোটি টকাৰ জিঅ'বেগ প্ৰকল্পৰ ৮০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই জিঅ'বেগৰ প্ৰকল্প সম্পূৰ্ণ হ'লে গহপুৰৰ দক্ষিণ অঞ্চলৰ জনসাধাৰণ খহনীয়া সমস্যাৰ পৰা যথেষ্ট পৰিমাণে সকাহ লাভ কৰিব বুলি বিভাগীয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

০০০০০০০

বিশ্বনাথ জিলা বিজেপিৰ কাৰ্যালয়ত আজি অনুষ্ঠিত এখন সাংগঠনিক সভাত জিলাখনৰ বিজেপিৰ প্ৰভাৰী তথা প্ৰাক্তন বিধায়ক ড০ অমিয় ভূঞা আৰু সহপ্ৰভাৰী জিতু কিষাণ উপস্থিত থাকে। অহা ১১ আৰু ১২ জুলাইত জিলাখনত দুদিনীয়াকৈ হ'বলগীয়া পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ শিবিৰ সন্দৰ্ভত দলীয় কৰ্মীসকলৰ লগত দুয়োগৰাকী প্ৰভাৰীয়ে বিশদভাৱে আলোচনা কৰে। উল্লেখযোগ্য যে এই প্ৰশিক্ষণ শিবিৰত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে আন ১১গৰাকী সমল ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত আজি ফ্ৰান্স মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি আজি নিশা ডেৰ বজাত আৰম্ভ হ'ব। ভাৰতীয় সময় অনুসৰি কাইলৈ নিশা চাৰে ১২ বজাত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত স্পেইন, বেলজিয়ামৰ সন্মুখীন হ'ব।

উল্লেখযোগ্য যে, ফ্ৰান্স, মৰক্কো, নৰৱে, ইংলেণ্ড, স্পেইন, বেলজিয়াম, আৰ্জেণ্টিনা আৰু ছুইজাৰলেণ্ডে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০০

অসম আন্দোলনৰ অগ্ৰণী কৰ্মী, সমাজ সংগঠক তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী যোৰহাটৰ মৃগেন বৰকটকীৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৫ বছৰ।

০০০০০০০

**সমাপ্ত**